# কেনিয়াৰ ৰাষ্ট্ৰপতি উহুৰু কেনয়্যাত্তা লৈ প্ৰধান মন্ত্ৰীৰ পত্ৰৰ পাঠ ।

চেপ্তেম্বৰ ২২,২০১৩

নাইৰোবিত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমনক কঠোৰ ভাৱে নিন্দা কৰি আৰু গভীৰ শোক প্ৰকাশ কৰি প্ৰধান মন্ত্ৰীয়ে কেনিয়াৰ ৰাষ্ট্ৰপতি লৈ পত্ৰ প্ৰেৰণ ।

তলত পত্ৰ খনৰ পাঠ দিয়া হল ।

“ মহামান্য,

যোৱাকালি নাইৰোবিৰ পশ্চিম মলত সংঘটিত পাশৱিক সন্ত্ৰাসবাদী আক্ৰমনৰ ঘটনাত মই প্ৰচন্ড আঘাট আৰু গভীৰ দুখ পাইছো ।উক্ত ঘটনাই নেৰানেপেৰাকৈ লাগি থকা সন্ত্ৰাসবাদৰ ভাবুকীয়ে যে এক জটীল প্ৰত্যাহ্বানৰ ৰূপ লৈছে সেই বিষয়ে সম্পূৰ্ণ ভাৱে সোঁৱৰাই দিয়াৰ উপৰিও এই জটীল প্ৰত্যাহ্বানৰ প্ৰতি সহাৰী জনাই সদায়েই সমগ্ৰ বিশ্ব সম্প্ৰদায়ক ঐক্যস্বৰে সমৰ্থন নিশ্চিত কৰিবলৈ আগবাঢ়ি আহিবলৈ আহ্বান জনাইছো । দুয়োখন দেশৰ নাগৰিককে সামৰি বহুতো নিৰীহ জনতাৰ জীৱনৰ শলিতা চিৰকালৰ বাবে নুমাই দিয়াৰ নিচিনা এই জঘন্য আৰু বিবেকহীন কাৰ্য্যক তীক্ষ্ণ ভাৱে ভাৰতে গৰিহনা দিছে ।

এই শোকাহত কালত আমি কেনিয়াৰ চৰকাৰ আৰু জনসাধাৰনৰ সৈতে একাত্মকভাৱে থিয় হৈ আছো ।অনুগ্ৰহ কৰি আমাৰ শোকবাৰ্তা মৃতকৰ পৰিয়ালবৰ্গলৈ আৰু ঘটনাত আহত সকলৰ সোনকালে আৰোগ্য লাভৰ কামনাৰ বাৰ্তাও যাতে তেওঁলোকলৈ প্ৰেৰণ কৰে ।মোৰ দৃঢ় বিশ্বাস যে মহামান্য আৰু কেনিয়া বাসি জনতাই এনে দূৰ্ভাগ্যপূৰ্ণ আৰু কৰুন পৰিস্থিতিৰ

সাহসেৰে সন্মুখিন হৈ পুনৰ আগৰ স্বাভাৱিক জীৱনলৈ ঘূৰি আহিব আৰু সন্ত্ৰাসবাদী শক্তিৰ বিৰুদ্ধে  দৃঢ় ভাৱে থিয় হব পাৰিব ।আপোনাৰ সকলো ধৰনৰ প্ৰচেষ্টাত সহায়-সহযোগ আগবঢ়াবলৈ আমি সদায়েই প্ৰস্তুত আছো ।

মোৰ প্ৰতিশ্ৰুতি সৰ্ব্বোচ্চ ভাৱে বিবেচনা কৰা হব, গ্ৰহন কৰিবলৈ অনুৰোধ জনালো ’’।

নতুন দিল্লী

চেপ্তেম্বৰ ২২,২০১৩